# জীৱনীভিত্তিক এক ব্যতিক্ৰমী উপন্যাস ঃ লাইফ অৰ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে

ড° স্নিগ্ধা দাস নাথ
সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়
ধুপধৰা, গোৱালপাৰা

ইংৰাজীত এষাৰ কথা আছে— "Biography is a memorial in black and white"। অৰ্থাৎ এগৰাকী ব্যক্তিৰ জীৱন কাহিনী বিভিন্ন ধৰণে লিপিবদ্ধ কৰিব পাৰি। লিখিত ৰূপত যেতিয়া এগৰাকী ব্যক্তিক সোঁৱৰণ কৰা হয় অথবা তেনে লেখাৰে যদি এগৰাকী ব্যক্তিক স্থায়ী কৰি ৰখাৰ এক সাহিত্যিক প্ৰচেষ্টা চলে তেতিয়াই জীৱনী সাহিত্যৰ সৃষ্টি হয়। লেখকৰ দৃষ্টিভংগী সাপেক্ষে জীৱনী লেখাৰ ৰূপ ভিন্ন। তেনে দৃষ্টিভংগীৰ মাজেৰেই জীৱনীমূলক উপন্যাসৰ জন্ম। জীৱনী ও জীৱনীমূলক উপন্যাস উভয়েই ইতিহাসৰ ফচল। ই ইতিহাসৰ সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত।

বহুকাল পূৰ্বেই জীৱনী সাহিত্যৰ সূচনা হয়। 'অক্সফোৰ্ড ডিক্সনৰি'ত জীৱনী সাহিত্যৰ সংজ্ঞা আগবঢ়াইছে। অক্সফোৰ্ড ডিক্সনৰি'ৰ মতে জীৱন এখন— "সাহিত্যৰূপত মানুহৰ গাইগুটীয়া জীৱনৰ ইতিহাস।[১] প্ৰখ্যাত জীৱনীতাত্ত্বিক জন এ. গেৰেটিৰ মতে জীৱনী হ'ল— "জীৱন এটিৰ অভিলেখ"।[২] আন এগৰাকী প্ৰখ্যাত জীৱনীতাত্ত্বিক মাৰি কেণ্ডেলৰ মতে জীৱনী হ'ল— "শব্দৰ মাধ্যমত ব্যক্তি বিশেষৰ জীৱনৰ সকলো জানিব পৰা কথাৰ সহায়ত তেওঁৰ জীৱনৰ কৌশলপূৰ্ণ অনুকৃতি (Simulation)।[৩] জীৱনীৰ আটাইবোৰ অপৰিহাৰ্য দিশক সামৰি 'এনচাইক্লোপিডিয়া ব্ৰিটানিকা'ই জীৱনীৰ সংজ্ঞা উল্লেখ কৰিছে। ইয়াৰ মতে, "জীৱনী হ'ল এনে এবিধ বৃত্তান্ত যিয়ে ব্যক্তিবিশেষৰ জীৱনৰ কাৰ্যাৱলীৰ বিৱৰণ দিয়ে আৰু সেই ব্যক্তিৰ ব্যক্তিত্বৰ পুনৰ্বিন্যাস (recreate) কৰে।[৪]

জীৱনী (Biography) আৰু জীৱনীমূলক উপন্যাস (Biographical Novel) একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এখন জীৱনী বিভিন্ন ধৰণে ৰচিত হ'ব পাৰে। ই কল্পনাশ্ৰয়ী বা প্ৰশংসাসূচক বা নিৰপেক্ষ হ'ব পাৰে। জীৱনীক কল্পনাৰ বোলেৰে ৰঙিয়াল কৰি সুখপাঠ্যৰ ৰূপ দি এখন উপন্যাস হিচাপেও (Fictionalised biography) ৰচনা কৰিব পাৰি।[৫] এইবিধ ৰচনা সম্পূৰ্ণভাৱে আধুনিক ৰচনা। জীৱনীয়ে এইবিধ ৰচনাৰ মূল উৎস।

মানৱ জীৱনৰ ব্যক্তিত্বৰ পৰিচয় পাব পৰা অন্য এক শ্ৰেণীৰ ৰচনা হ'ল আত্মজীৱনী। জীৱনীত ব্যক্তিবিশেষৰ জীৱনৰ আৰু ব্যক্তিত্বৰ পূৰ্ণবিন্যাস ঘটে অন্য এক ব্যক্তিৰ হাতত; আত্মজীৱনী বা সেই জাতীয় ৰচনাত ব্যক্তি বিশেষৰ জীৱন আৰু ব্যক্তিত্ব অংকিত হয় নিজৰ হাতত। জীৱনীত যিজন মানুহ আমি দেখা পাওঁ, সেইজন আমি অন্য এজনৰ চকুৰে দেখা মানুহ— জীৱনীখনৰ গ্ৰন্থকাৰ গৰাকীয়ে আমাক দেখুওৱা মানুহ। আত্মজীৱনীত কিন্তু যিজন মানুহ আমি দেখা পাওঁ, সেইজন আমি অন্য এজনৰ চকুৰে দেখা মানুহ— জীৱনীখনৰ গ্ৰন্থকাৰ গৰাকীয়ে আমাক দেখুওৱা মানুহ।[৬] এগৰাকী প্ৰখ্যাত জীৱনীতাত্ত্বিক ৰয়

পাস্কেলে আত্মজীৱনীৰ সংজ্ঞা আগবঢ়াইছে— "আত্মজীৱনী এনে এবিধ জীৱন-বৃত্তান্ত, য'ত লেখকে তেওঁৰ জীৱনৰ আৰু মনৰ এটি বিশেষ অৱস্থাত নিজকে আৰু নিজৰ জীৱনৰ কথাবোৰ যেনেকৈ বুজে আৰু গ্ৰহণ কৰে, তেনেকৈ অংকন কৰে।[৭] আত্মজীৱনীত মনৰ বিশেষ অৱস্থাতহে এজন মানুহে নিজৰ এৰি অহা দিনবোৰৰ ঘটনাৱলী ৰোমন্থন কৰি নিজৰ ছবি অংকন কৰে। এনে শ্ৰেণীৰ ৰচনাৰ উদাহৰণ হৈছে মহাত্মা গান্ধীৰ 'মোৰ সত্য অন্বেষণৰ কাহিনী' (১৯২৭), জৱাহৰলাল নেহৰুৰ 'অট'বায়োগ্ৰাফি' (১৯৩৬), বেণুধৰ শৰ্মাৰ 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ'ত (১৯৫৯) ইত্যাদি।

জীৱনীমূলক উপন্যাস নহয়, আত্মজীৱনীও নহয় কিন্তু নিজৰ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত ৰচিত এখনি ব্যতিক্ৰমী উপন্যাস হৈছে 'লাইফ অৱ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে'। জীৱনীভিত্তিক এই উপন্যাসখন সুদীৰ্ঘ পোন্ধৰ বছৰ ড্ৰাইভাৰৰ অভিজ্ঞতাৰ পৰিপক্ক ফচল। জীৱনৰ ভিন্ন মুহূৰ্তত মৃত্যুৰ সৈতে খেলা কৰে ড্ৰাইভাৰে। বাছখনৰ প্ৰতিজন যাত্ৰীৰ জীৱন থাকে ড্ৰাইভাৰৰ হাতত। জীৱনৰ তিতা, কেহা, মিঠা অভিজ্ঞতাৰ ভিত্তিত ৰূপম দত্তই লিখা উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যত এক নতুন মাত্ৰা সংযোজন কৰিছে। উপন্যাসখনৰ সৰহভাগ কথা ঔপন্যাসিকে আত্মনিষ্ঠ কথনৰ মাজেৰে পৰিৱেশিত হৈছে।

আৱেগৰ ঢৌত উঠা-নমা কৰা উপন্যাসখনত আছে কঠোৰ পৰিশ্ৰম, সংগ্ৰাম, সংঘাট, উৎকণ্ঠা, নাট্যধৰ্মীতাৰে পৰিপূৰ্ণ এনে উদাহৰণ অসমীয়া উপন্যাস সাহিত্যৰ পৰিক্ৰমাত বিৰল। উপন্যাসখনৰ সম্পৰ্কত ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে মন্তব্য প্ৰদান কৰিছে— "এজন ড্ৰাইভাৰৰ হৃদয়, যেতিয়া আলোড়িত হয় প্ৰেমেৰ, নিশাৰ বাছৰ যাত্ৰী অকলশৰীয়া যুৱতীক নিৰাপদে গন্তব্যস্থলত থোৱাৰ আকাংক্ষা জাগে, তেনে ড্ৰাইভাৰ ব্যতিক্ৰমৰ শাৰীতে পৰে। নতুন লেখক ৰূপম দত্তৰ 'লাইফ অৱ এ ড্ৰাইভাৰ' কেবিনৰ ইপাৰে থকা পৃথিৱীখনৰ সন্ধানে পঢ়ুৱৈক অন্য সোৱাদ দিব।[৮] উপন্যাসখনত তেওঁৰ বাবে এখন কিতাপ বা কাহিনী নহয়, তেওঁৰ প্ৰতিটো শব্দত আছে অন্তৰৰ অনুভূতি। উপন্যাসখনৰ সম্পৰ্কত তেওঁ নিজে মন্তব্য প্ৰদান কৰিছে— "মই কোনো দিনলিপি সাৰোগত কৰি মই উপন্যাসখন লিখা নাই। এয়া মোৰ জীৱনৰ তিতা-কেহা অভিজ্ঞতাৰ ফল।"

ড্ৰাইভাৰৰ জীৱনৰ পটভূমিত কাহিনীটো আৰম্ভ হৈছে। নায়ক ৰূপৰ শৈশৱৰে স্বপ্ন ড্ৰাইভাৰ হোৱা। সেইমতে নাইট চুপাৰ চলাবলৈ লয়। ড্ৰাইভাৰৰ জীৱন বিচিত্ৰ অভিজ্ঞতাৰে পৰিপূৰ্ণ। নিতৌ ন-ন অভিজ্ঞতা লৈ আহে নায়ক ৰূপে। গাড়ীত লগ পোৱা বিভিন্ন সুন্দৰী নাৰীক প্ৰেয়সী ৰূপত কল্পনা কৰে। লিছা নামৰ ছোৱালীজনীয়ে ৰূপক প্ৰেমিক ৰূপত পাবলৈ বিচাৰে। মাকে সজাই থোৱা বোৱাৰীৰ সপোন পূৰ্ণ কৰিবলৈ গৈ লিছাৰ সপোন পূৰ্ণ কৰিব নোৱাৰিলে নায়কে আৰু লিছাক পত্নীৰ স্বীকৃতি নিদিলে। তিক্ততাৰে পৰিপূৰ্ণ জীৱনলৈ লিছাই নিচাসক্ত হৈ পৰে আৰু ইহজীৱন পৰিত্যাগ কৰে। পিছত নাটকীয়ভাৱে লগ পাই যায় অংকিতাক। অংকিতা নামৰ সুন্দৰী গাভৰুজনীৰ সৈতে শেষত বিবাহ পাশত আবদ্ধ হয়। নিতৌ ন-ন অভিজ্ঞতাৰে পৰিপূৰ্ণ কাহিনী। ড্ৰাইভাৰৰ সংস্পৰ্শলৈ নিতৌ অহৰহ যাত্ৰীৰ সমাগম হয়। এই যাত্ৰীবিলাকৰ সৈতে বিভিন্ন অভিজ্ঞতা লাভ কৰে। এই অভিজ্ঞতাই সমস্ত কাহিনীৰ মূল উৎস।

বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত লিখা উপন্যাসখনত ড্ৰাইভাৰে যাত্ৰীসকলৰ পৰা পোৱা অনাহক ৰুক্ষ ব্যৱহাৰবোৰৰ উল্লেখে ড্ৰাইভাৰৰ জীৱনৰ প্ৰতি সহৃদয়তাৰে পৰিপূৰ্ণ কৰি তোলে। তদুপৰি বৰ্তমান ৰাস্তাই-ঘাটে অনাহকত হোৱা এক্সিডেণ্ট কিছুমান সৰু সৰু ভুলৰ কাৰণ বুলি উল্লেখ কৰিছে লিখকে। ইয়াৰ বিভিন্ন কাৰণৰ ভিতৰত আজিকালি ওলোৱা এল ই ডি লাইটবোৰো অন্যতম কাৰণ হিচাপে উল্লেখ কৰিছে। বৰ্তমান সকলো সৰু গাড়ীৰে এল ই ডি লাইট জ্বলাই ডিপাৰ নিদিয়াটো চখ হৈ পৰিছে। যাৰ বাবে অনাহকত বহু জীৱনৰ সলীল সমাধি হয়।

ঔপন্যাসিকৰ ভাষাত মৃত্যু কেনেকুৱা? যিকেইজন মৰিলে তেওঁলোকে চিৰশান্তি পালে, কিন্তু তেওঁলোকৰ পৰিয়াল, ল'ৰা-ছোৱালী এইবোৰৰ কি হ'ব?

ড্ৰাইভাৰৰ জীৱন বিপদসংকুল। প্ৰায় ৬০-৭০ জন যাত্ৰী লৈ গোটেই ৰাতি বাছ চলাই গন্তব্য স্থানলৈ নিব লাগে। সকলোবোৰ শুই থাকে কেৱল এযোৰ চকু সাৰে থাকে। লিখকৰ অভিজ্ঞতাৰ বৰ্ণনাত— "ডাঠ কুঁৱলী পৰে, খুব বেছি দহ

ফুটলৈহে দেখা যায়। আমি অকল ৰাস্তাৰ বগা লাইন চাই চলাবলগীয়া হয়। লাহে লাহেতো চলাব নোৱাৰি ষাঠি-সত্তৰ কিলোমিটাৰ স্পীডত চলাবই লাগিব...... সময়ত পাব লাগিব। যেতিয়া ধাৰাসাৰ বৰষুণ দিয়ে একো নেদেখা হৈ যায়, ৱাইপাৰেও কাম নকৰা হৈ যায়, কিমান ৰিস্ক আমি ল'ব লাগে। কিয়নো সকলোৰে আগত আমিয়েই বহি থাকোঁ। নখৰ আগত আমৰ জীৱন।"[৯] ঔপন্যাসিকৰ ক্ৰোধ ইমানখিনি কষ্ট কৰাৰ পিছতো যাত্ৰীৰ পৰা সহৃদয়সূচক এষাৰি মাত ড্ৰাইভাৰে নাপায়। তেওঁলোকলৈ বৈ থাকে যাত্ৰীৰ হুতা মাত সময়ত ৰুক্ষ ব্যৱহাৰ। গাড়ী চলাই থকা প্ৰতিটো সময় কচুপাতৰ পানীৰ দৰে। অলপ ভুল হ'লেই সকলো শেষ। এনে বহু এক্সিডেন্টৰ উদাহৰণ ডাঙি ধৰিছে ঔপন্যাসিকে। উদাহৰণ স্বৰূপে— "ট্ৰাকৰ ভুল নাছিল ... ট্ৰাকৰ ড্ৰাইভাৰ জেগাতেই শেষ। টেংকাৰৰ ড্ৰাইভাৰৰ পেটত ষ্টিয়েৰিং ভাগি সোমাই পেট ফালি দিলে। নাড়ী-ভুঁৰু ওলাই গৈছিল, তথাপি চিঞৰি আছিল মোক হস্পিটেল লৈ যাওক বুলি। মোক বচাই দিয়ক বুলি। বৰ বেয়া লাগিল পাই। হস্পিটেল নাপালেগৈ।[১০] এনেবোৰ বৰ্ণনাত উপন্যাসখনৰ পাঠকে শিয়ৰি উঠিব লাগে।

হৃদয়ৰ অনুভৱ-অনুভূতিক সহৃদয়তাৰে সুপ্ৰকাশ কৰিবলৈ মাজে-মাজে ভূপেন হাজৰিকা, উদিত নাৰায়ণ, অভিজিত, আশা ভোছলে, কিশোৰ কুমাৰৰ গানৰ সহায় লৈছে। একেদৰে অন্তৰৰ সজ অনুভূতিক তীব্ৰতৰ কৰি তুলিবলৈ উপন্যাসৰ মাজে-মাজে দিয়া কবিতাৰ পংক্তিয়ে সোণত সুৱগা চৰাইছে। উদাহৰণ—

"এতিয়াই যাবা ঘৰলৈ ?
কেনেবাকে যদি কোনোবাই সাৰ পায় ?
তুমি গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া।
কাঁইটৰ শংকা মোৰ নাই।"[১১]

দেবকান্ত বৰুৱাৰ কবিতাই অন্তৰত খলকনি জোগাই তুলে। উপন্যাসখনত ঔপন্যাসিকৰ জীৱনৰ বহু সৰু-বৰ কথা ক্ৰমানুসাৰে উপস্থাপন কৰিবলৈ যত্ন কৰিছে। সাধাৰণতে জীৱনী ৰচনাত ভিন্ন ভিন্ন ৰূপ সজ্জাৰ প্ৰকাশ দেখা যায়। আত্মজীৱনীত আত্মনিষ্ঠতাই মূল উৎস। আলোচ্য উপন্যাসখনি আত্মনিষ্ঠতাৰ মাজেৰে কাহিনীৰ সামৰণি পৰিছে।

উপন্যাসখনত কল্পনাৰ স্থানতকৈ জীৱনৰ বাস্তৱ সমল অধিক প্ৰবল। ঔপন্যাসিক জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত কাহিনী লিপিবদ্ধ কৰিছে। কিন্তু ঘটনাক্ৰমৰ ক্ষেত্ৰত কোনো চন-তাৰিখ বা দিনলিপি অনুকৰণ কৰা নাই, চন-তাৰিখ নিৰ্ধাৰণ কৰাহেঁতেন উপন্যাসখনৰ ঐতিহাসিক মাত্ৰা বহুখিনি ৰক্ষিত হ'লহেঁতেন।

উপন্যাসখন আসোঁৱাহমুক্ত নহয়। উপন্যাসখন যিহেতু প্ৰথমাৱস্থাত Facebook ত লিপিবদ্ধ কৰিছিল, Like, Share আছিল পাঠকৰ অনুপ্ৰেৰণা । সেয়েহে কিছুমান বাক্য পুনৰ লিখন হোৱা দেখা যায়। উপন্যাসখন পঢ়িলে এনে ভাব হয় পাঠকো যেন একো একোজন নাইট চুপাৰৰ যাত্ৰী। ড্ৰাইভাৰৰ জীৱন কঠিন স্পন্দন উপন্যাসৰ পাতে-পাতে বিদ্যমান। মুঠতে গ্ৰন্থখনি জীৱনী বা আত্মজীৱনী নহয়, ই লিখকৰ ন-ন অভিজ্ঞতাৰে পৰিপূৰ্ণ জীৱনৰ জয়, পৰাজয়, প্ৰেম, ভালপোৱা অনুভৱ-অনুভূতিৰ এক ব্যতিক্ৰমী জীয়া কাহিনী—

'লাইভ অৱ এ ড্ৰাইভাৰ
কেবিনৰ ইপাৰে।'

**প্ৰসঙ্গপুথি**

১। Nicolson, Harold, The Development of English Biography (1928), The Hogorth Press, London, 1947, pp. 7-8

২। Garraty, John A, The Nature of Biography, Alfred A, Knopt, New York, 1957, p.3.

৩। Kendall, Paul Murray, The Art of Biography, George Allen & Unwin, London, 1965 p. 14-15.

৪। Encyclopaedia Britannica, 1962 edn, Vol, III.

৫। ঠাকুৰ, নগেন (সম্পা) এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্রকাশন, প্রথম প্রকাশ, নবেম্বৰ, ২০০০, পৃ-২০৭

৬। শৰ্মা, গোৱিন্দ প্রসাদ, জীৱনী আৰু অসমীয়া জীৱনী ষ্টুডেণ্টচ ষ্টৰচ, প্রথম প্রকাশ ১৯৮৬, পৃ-৭৩

৭। Pascal, Roy, Design and Truth in Autobiography, Routledge & Kegan Paul, London, 1960 pp. 3, 9.

৮। দত্ত, ৰূমপ, লাইফ অৱ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে, তৃতীয় সংস্কৰণ, জানুৱাৰী ২০২১ পৃ- পাতনি

৯। দত্ত, ৰূপম, লাইফ অৱ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে, তৃতীয় সংস্কৰণ, জানুৱাৰী ২০২১ পৃ- ২০৪

১০। দত্ত, ৰূপম, লাইফ অৱ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে, তৃতীয় সংস্কৰণ, জানুৱাৰী ২০২১ পৃ- ২৪৫

১১। দত্ত, ৰূপম, লাইফ অৱ এ ড্ৰাইভাৰ কেবিনৰ ইপাৰে, তৃতীয় সংস্কৰণ, জানুৱাৰী ২০২১ পৃ- ৪৬৩